**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-12-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত উত্তৰ-পূব বিকাশ মন্ত্ৰালয়ৰ দ্বাৰা আয়োজিত অষ্টলক্ষ্মী মহোৎসৱ আৰু ৰাজ্যত চলিত উন্নয়নমূলক প্ৰকল্পৰ সৈতে সম্পৰ্কিত বিষয় সন্দৰ্ভত আলোচনা কৰে। আলোচনা কালত মন্ত্ৰীগৰাকীক অহা ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সন্মিলনলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী তথা ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নাড্ডাকো সাক্ষাৎ কৰে। এই সাক্ষাৎ কালত স্বাস্থ্য সেৱা খণ্ডক সমৰ্থন কৰাৰ বাবে পি এম জে এ ওৱাই, আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু অন্যান্য কেন্দ্ৰীয় আঁচনি ৰূপায়ণত অসমে আগবঢ়োৱা অগ্ৰগতিৰ বিষয়েও অৱগত কৰে। লগতে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ আমন্ত্ৰণ জনায়।

০০০০০০০

বহনক্ষম পৰিৱেশ সৃষ্টিৰ দিশত উল্লেখযোগ্য পদক্ষেপ হিচাপে আজি শিৱসাগৰত প্ৰথমটো প্লাষ্টিক পুনৰ্ব্যৱহাৰ কেন্দ্ৰ উদ্বোধন কৰা হয়। শিৱসাগৰৰ খেলুৱা গাঁৱত অৱস্থিত কেন্দ্ৰটো আজি অতিৰিক্ত জিলা আয়ুক্ত গীতালী দুৱৰাই উদ্বোধন কৰে। ভাৰতীয় প্ৰদূষণ নিয়ন্ত্ৰণ সংস্থাৰ উদ্যোগত স্থাপন কৰা এই কেন্দ্ৰত প্লাষ্টিক আৱৰ্জনাসমূহৰ ব্যৱস্থাপনাৰ বাবে পুনৰ্ব্যৱহাৰ নিশ্চিত কৰা হ'ব। দৈনিক ১ টন ক্ষমতাৰ এই কেন্দ্ৰটোত অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি প্লাষ্টিক আৱৰ্জনা পৃথকীকৰণ, পৰিষ্কাৰ আৰু পুনৰ্ব্যৱহাৰ কৰিব পৰা সুবিধা ৰখা হৈছে। এই কেন্দ্ৰটো সন্দৰ্ভত ভাৰতীয় প্ৰদূষণ নিয়ন্ত্ৰণ সংস্থাৰ সঞ্চালক আশীষ জৈনে এইদৰে কয় –

বাইট

০০০০০০০

অসম গণ পৰিষদৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি দলৰ আমবাৰীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। দলৰ সভাপতি অতুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত আগন্তুক পঞ্চায়ত নিৰ্বাচন আৰু স্বায়ত্ত শাসিত পৰিষদসমূহৰ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে বঙাইগাঁও বিধানসভা সমষ্টিৰ পৰা নৱনিৰ্বাচিত বিধায়ক দিপ্তীময়ী চৌধুৰীক সম্বৰ্দ্ধনা জনোৱা হয়। সভাত দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, ফণীভূষণ চৌধুৰীকে ধৰি বিধায়কসকল আৰু দলৰ কেন্দ্ৰীয় নেতৃবৰ্গ, জিলা সমিতিৰ সভাপতি আৰু সম্পাদকসকল উপস্থিত থাকে।

০০০০০০০

অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাৰ এটা দলে আজি দৰং জিলাৰ সমবায় সমিতিসমূহৰ ভাৰপ্ৰাপ্ত উপ-পঞ্জীয়ক পৰেশ কুমাৰ চাহুক বিভাগীয় কাৰ্যালয় কক্ষত উৎকোচ লৈ থকা অৱস্থাত হাতে-লোটে আটক কৰে। অভিযানকাৰী দলটোৱে অভিযোগকাৰীৰ উপস্থিতিত আটক কৰা বিষয়াজনে পিন্ধি থকা পেণ্টৰ পকেটৰ পৰা নগদ ৮ হাজাৰ টকা উদ্ধাৰ কৰে। অভিযোগ অনুসৰি আটকাধীন বিষয়াজনে এখন হস্তুতাঁত সমবায়

সমিতিৰ পঞ্জীয়নৰ বাবে দুগৰাকী গ্ৰাম্য মহিলা শিপিনীৰ পৰা ১০ হাজাৰ টকা উৎকোচ হিচাপে দাবী কৰিছিল। পাছত ৮ হাজাৰ টকাতে পঞ্জীয়ন কৰিবলৈ সন্মত হোৱাত শিপিনী দুগৰাকীৰ পৰা ধনখিনি উৎকোচ হিচাপে লোৱাৰ লগে লগে অভিযানকাৰী দলটোৱে উপ-পঞ্জীয়কজনক আটক কৰে।

০০০০০০০

ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নীতকৰণ আৰু জনসাধাৰণক মান সম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে সমগ্ৰ অসমত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হৈছে। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব।

**কামৰূপ** মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰ, **শিৱসাগৰৰ** ৪৫ খন চিকিৎসালয়, **মাজুলীৰ** ১৬টা স্বাস্থ্য কেন্দ্ৰ, **দৰং** জিলাত ৪৭টা স্বাস্থ্য কেন্দ্ৰ, **তিনিচুকীয়াৰ** ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠান, **গোলাঘাট** জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়, **চৰাইদেউ** জিলাৰ ৩৮ খন চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়, **বঙাইগাওঁ** জিলাৰ ২৯ টা স্বাস্থ্যকেন্দ্ৰ, **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়, **চিৰাং** জিলাৰ ৩৪টা স্বাস্থ্য কেন্দ্ৰ, **নলবাৰী** জিলাৰ ৫৮ খন চিকিৎসালয় আৰু **দক্ষিণ শালমাৰা মানকাছৰ** জিলাৰ হাটশিঙিমাৰীৰ ১৭ টা স্বাস্থ্যকেন্দ্ৰতো এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। গোৱালপাৰা জিলাত ৫১ টা চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি এই কাৰ্যসূচী অনুষ্ঠিত হৈছে। ইয়াৰ বাবে জিলা প্ৰশাসনে ১৭ টা দুজনীয়া দল গঠন কৰি চিকিৎসা প্ৰতিষ্ঠানসমূহ মূল্যায়নৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰি সকলো দিশ নিৰীক্ষণৰ বাবে ৰাজ্য চৰকাৰেও জিলাখনত বিভিন্ন বিভাগৰ ১১ গৰাকী শীৰ্ষ বিষয়াক নিয়োগ কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে পৰহিলৈ দিনৰ ১০ বজাৰ পৰা বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০০

**সমাপ্ত**